**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-09-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

***----------------------***

১।	প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত ৰাজ্যত পুনৰ এক লাখ ৭১ হাজাৰ ৫৯৩টা গৃহ নিৰ্মাণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন।

২।	অসমত ৰে'লপথ বৈদ্যুতিকীকৰণৰ কাম ৬৫ শতাংশ সম্পূৰ্ণ হৈছে। অহা বছৰৰ ভিতৰত ১০০ শতাংশ কাম সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা আছে বুলি উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া কপিঞ্জল কিশোৰ শৰ্মাৰ প্ৰকাশ।

৩।	ৰাজ্যত বিগত কিছুদিন ধৰি নীতি বহিৰ্ভূতভাৱে ধন জমা কৰা অসাধু ব্যৱসায় সন্দৰ্ভত বিশেষ তদন্তকাৰী দল গঠন কৰি অনুসন্ধান চলাবলৈ আৰক্ষী সঞ্চালক প্ৰধানৰ নিৰ্দেশ।

৪।	ড০ ভূপেন হাজৰিকাৰ আজি ৯৮ সংখ্যক জন্ম বাৰ্ষিকী। ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাস আৰু সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত দুদিনীয়া কাৰ্যসূচীৰে সমন্বয় দিৱস পালন।	**আৰু**

৫।	পেৰিছ পেৰালিম্পিকৰ দশম দিনাৰ খেলৰ অন্তত ভাৰতৰ ৭টা সোণ, ৯টা ৰূপ আৰু ১৩টা ব্ৰঞ্জসহ মুঠ ২৯টা পদকেৰে প্ৰতিযোগিতাৰ পদক তালিকাৰ ষষ্ঠদশ স্থানত।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে অসমৰ বাবে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত পুনৰ এক লাখ ৭১ হাজাৰ ৫৯৩টা গৃহ নিৰ্মাণত অনুমোদন জনাইছে। ৰাজ্যবাসীৰ বাবে এয়া নিশ্চিতভাৱে সুখবৰ বুলি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰণজিত কুমাৰ দাসে মত প্ৰকাশ কৰিছে। তেওঁ লগতে কয় যে, আটাইবোৰ জিলাৰ জনসাধাৰণ ইয়াৰ দ্বাৰা উপকৃত হোৱাৰ উপৰি অনুসূচিত জাতিৰ বসতিপ্ৰধান জিলা হিচাপে ধেমাজি, পূব কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলং জিলাই অধিক সংখ্যক গৃহ লাভ কৰিব। দৰিদ্ৰ জনসাধাৰণৰ বাবে লোৱা এই পদক্ষেপৰ বাবে মন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক কৃতজ্ঞতা জ্ঞাপন কৰিছে। এই সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত কালি এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰণজিত কুমাৰ দাসৰ লগতে সচিব মুনিন্দ্ৰনাথ শৰ্মা আৰু আয়ুক্ত জয়শিৰানী উপস্থিত থাকে। উল্লেখযোগ্য যে বৰ্তমানলৈকে ৰাজ্যত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত ১৯ লাখতকৈও অধিক গৃহ নিৰ্মাণ কৰা হৈছে।

০০০০০০

ৰাজ্যৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু ড০ ভূপেন হাজৰিকা আঞ্চলিক চৰকাৰী চলচ্চিত্ৰ আৰু টেলিভিছন প্ৰতিষ্ঠানৰ সহযোগত আজি ভাৰতৰত্ন ড০ ভূপেন হাজৰিকাৰ ৯৮ সংখ্যক জয়ন্তী পালন কৰা হ'ব। এই উপলক্ষে জালুকবাৰী সমাধিস্থলিত পুৱা স্মৃতি তৰ্পণ আৰু বিয়লি সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

আনহাতে ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসৰ উদ্যোগত সাংস্কৃতিক পৰিক্ৰমা বিভাগ আৰু শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ সহযোগত আজিৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে সমন্বয় দিৱস পালন কৰা হ'ব। সদৌ অসম ছাত্ৰ সন্থায়েও শিল্পীগৰাকীৰ জন্মদিন উপলক্ষে দীঘলীপুখুৰী পাৰত উদ্দীপনা শীৰ্ষক অনুষ্ঠানৰ আয়োজন কৰিছে। দীঘলীপুখুৰী পাৰত থকা ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তিস্থলিত সন্ধিয়া ৬ বজাৰ পৰা এই অনুষ্ঠান অনুষ্ঠিত কৰা হ'ব। অসম সাহিত্য সভায়েও গুৱাহাটীৰ দীঘলীপুখুৰীত সাহিত্যসভাৰ প্ৰশাসনীয় কাৰ্যালয়ৰ চৌহদত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰিছে। গুৱাহাটী নিউ আৰ্টছ প্লেয়াৰছৰ উদ্যোগত বিয়লি **সুধাকণ্ঠক স্মৰণ** শীৰ্ষক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। তেজপুৰতো এই উপলক্ষে বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

০০০০০০

**চিৰাং জিলাতো ভূপেন হাজৰিকা স্মৃতি ৰক্ষা সমিতিৰ উদ্যোগত আজি বিজনীস্থিত জিৰণি গৃহ প্ৰাংগণত এই দিৱস পালন কৰা হ'ব । ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তিত অসম কৃষি বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড০ তৰুণ দেৱৰায়ে বন্তি প্ৰজ্বলন কৰাৰ পাছত অনাতাঁৰ শিল্পী অশোক ব্ৰহ্মই প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰিব। ভূপেন হাজৰিকা স্মৃতি ৰক্ষা সমিতিয়ে এই দিৱসৰ সৈতে সংগতি ৰাখি গছপুলি ৰোপণ, সমবেত সংগীত, আই সকলৰ নাম, সম্বৰ্ধনা অনুষ্ঠান, ভূপেন হাজৰিকাৰ গীতৰ আধাৰত নৃত্য প্ৰতিযোগিতা আৰু স্মৃতিচাৰণ সভাৰো আয়োজন কৰিছে। স্মৃতিচাৰণ সভাত মূল বক্তা হিচাপে অংশ লব বৰনগৰ মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপিকা স্বৰ্ণলতা তালুকদাৰে। সন্ধিয়ালৈ বিজনীৰ বিধায়ক অজয় কুমাৰ ৰায়ে বন্তি প্ৰজ্বলন কাৰ্যসুচী মুকলি কৰিব।**

০০০০০০

ৰাজ্যখনত বিগত কিছুদিন ধৰি নীতি বহিৰ্ভূতভাৱে ধন জমা কৰা অসাধু ব্যৱসায়ক লৈ ডিব্ৰুগড় থানাত দাখিল হোৱা গোচৰ সন্দৰ্ভত অসম আৰক্ষীৰ সঞ্চালক প্ৰধানে বিশেষ তদন্তকাৰী দল গঠন কৰি অনুসন্ধান চলাবলৈ নিৰ্দেশ দিছে। ইয়াৰ বাবে অসম আৰক্ষীৰ অতিৰিক্ত সঞ্চালক প্ৰধানক এই দলটো গঠন কৰি তদন্ত চলাবলৈ কোৱা হৈছে। এই দলটোক লগতে গোচৰটোৰ সকলো দিশ চালি-জাৰি চাই সৰ্বাত্মকভাৱে অনুসন্ধান চলোৱাৰ উপৰি সোনকালে ইয়াৰ প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। অহা ১৫ দিনৰ ভিতৰত এই তদন্তৰ অগ্ৰগতি সম্পৰ্কে অৱগত কৰিবলৈও কোৱা হৈছে। আৰক্ষী সঞ্চালকপ্ৰধান জি পি সিঙে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰা মতে এনেধৰণৰ নীতি বহিৰ্ভূত লেনদেনৰ ঘটনা সন্দৰ্ভত ১৪ খন জিলাত ২৮ টা গোচৰ পঞ্জীয়ন হৈছে আৰু ৫৯ জনক গ্ৰেপ্তাৰ কৰা হৈছে। আনহাতে আৰক্ষীয়ে জাননী জাৰি কৰাৰ পাছতো তদন্ত প্ৰক্ৰিয়াত সহায় নকৰাসকলক ২২ খন বিশেষ জাননী জাৰি কৰাৰ ব্যৱস্থা কৰা হৈছে বুলি তেওঁ প্ৰকাশ কৰিছে।

০০০০০০

অসমত ৰে'লপথ বৈদ্যুতিকীকৰণৰ কাম ৬৫ শতাংশ সম্পূৰ্ণ হৈছে আৰু অহা বছৰৰ ভিতৰত নিৰ্ধাৰিত লক্ষ্য অনুসৰি ১০০ শতাংশই সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা আছে। কালি আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া কপিঞ্জল কিশোৰ শৰ্মাই এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে ৰে'লপথ বৈদ্যুতিকীকৰণৰ ফলত ইন্ধন ৰাহি হোৱাৰ লগতে ৰে'ল যাত্ৰা দ্ৰুত হৈ উঠিব। বৈদ্যুতিক ইঞ্জিনৰ কাৰ্যক্ষমতা অধিক হোৱাৰ ফলত ৰে'লযাত্ৰা সুচল হোৱাৰ উপৰি বিত্তীয় ক্ষেত্ৰতো ৰাহি হ'ব বুলি তেওঁ কয়। একেদৰে ৰাজ্যখনৰ বিভিন্ন অঞ্চলত ৰে'ল পথ দ্বৈতকৰণৰ কাম অব্যাহত আছে বুলি তেওঁ জানিবলৈ দিয়ে।

ইপিনে, ৰে'ল দুৰ্ঘটনা হ্ৰাস কৰাৰ লগতে ৰে'লৰ খুন্দাত হাতীৰ মৃত্যু হোৱাৰ ঘটনা ৰোধ কৰাৰ বাবে কৃত্ৰিম বুদ্ধিমত্তা প্ৰয়োগ কৰি অপ্তিকেল ফাইবাৰৰ সহায়ত ব্যৱস্থা গ্ৰহণ কৰাৰ ফলত এনে দুৰ্ঘটনাৰ সংখ্যা হ্ৰাস পাইছে বুলি তেওঁ জানিবলৈ দিয়ে। উত্তৰ-পূৰ্বাঞ্চলত ৰে'লপথ নিৰ্মাণৰ কাম প্ৰায় অৰ্ধেক সম্পন্ন হৈছে আৰু ২০২৮ চনৰ ভিতৰত অঞ্চলটোত ৰে'ল যাতায়াত সুচল হৈ উঠিব বুলি তেওঁ আশা প্ৰকাশ কৰে। এই অঞ্চলটোত প্ৰাকৃতিক আৰু পৰিৱেশজনিত সমস্যাৰ বাবে সময়ে সময়ে নিৰ্মাণকাৰ্য লেহেমীয়া হয় বুলিও তেওঁ উল্লেখ কৰে। ইপিনে, ৰে'ল বিভাগে যাত্ৰীসকলৰ সুবিধাৰ্থে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰাৰ বিষয়ে উল্লেখ কৰি তেওঁ কয় যে ৰে'লযাত্ৰাৰ ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হোৱা মাত্ৰেই যিকোনো যাত্ৰীয়ে ৰে'ল মদদ প'ৰ্টেলত আপত্তিসমূহ দাখিল কৰিব পাৰে। আনহাতে, দিব্যাংগসকলৰ বাবেও সুবিধাজনক শৌচাগাৰ, প্ৰস্ৰাৱগাৰকে ধৰি সকলো ব্যৱস্থা ক্ৰমান্বয়ে কৰি অহা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে। তদুপৰি মহিলাৰ সুৰক্ষাৰ ক্ষেত্ৰতো ৰে'ল আৰক্ষীয়ে সতৰ্কতাৰে ব্যৱস্থা গ্ৰহণ কৰে বুলি তেওঁ উল্লেখ কৰে।

০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ প্ৰকল্প ১ অক্টোবৰৰ পৰা পৰ্যটকৰ বাবে মুকলি কৰি দিয়া হ'ব। বন বিভাগে এটা বিবৃতিযোগে এইকথা সদৰি কৰিছে। অৱশ্যে মুকলি কৰি দিয়া বিষয়টো বতৰৰ ওপৰত নিৰ্ভৰ কৰিব বুলিও বিবৃতিটোত উল্লেখ কৰা হৈছে। কঁহৰা, বাগৰি আৰু বুঢ়াপাহাৰ বনাঞ্চল কেৱল জীপ ছাফাৰীৰ বাবে মুকলি কৰি দিয়া হ'ব।

০০০০০০

ধুবুৰী জিলাৰ ধৰ্মশালা খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনস্থ আলমগঞ্জ গেৰামাৰী একত্ৰীকৰণ উচ্চ মাধ্যমিক বিদ্যালয়ত ৰাষ্ট্ৰীয় বাল স্বাস্থ্য কাৰ্যক্ৰমৰ অধীনত কালি এটা বিশেষ স্বাস্থ্য শিবিৰ আয়োজন কৰা হয়। জিলাখনত প্ৰতিদিনে প্ৰতিখন খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনস্থ বিদ্যালয় আৰু অঙ্গনৱাদী কেন্দ্ৰসমূহত ৰাষ্ট্ৰীয় বাল স্বাস্থ্য কাৰ্যক্ৰমৰ চিকিৎসকসকলে শিক্ষাৰ্থীসকলৰ স্বাস্থ্য পৰীক্ষা কৰি আছে যদিও শিক্ষাৰ্থী সকলৰ সামগ্ৰিক স্বাস্থ্যৰ প্ৰতি লক্ষ্য ৰাখি এই স্বাস্থ্য শিবিৰটো বিশেষভাৱে অনুষ্ঠিত কৰা হয়। এই স্বাস্থ্য শিবিৰটোত ধুবুৰী চিকিৎসা মহাবিদ্যালয়ৰ পৰা শিশু, অস্থি, নাক-কান আৰু ডিঙি, মনোৰোগ, চকু, আৰু দন্ত ৰোগ বিশেষজ্ঞৰ লগতে ৰাষ্ট্ৰীয় বাল স্বাস্থ্য কাৰ্যক্ৰমৰ চিকিৎসক সকলে শিক্ষাৰ্থী সকলৰ স্বাস্থ্য পৰীক্ষা কৰি চিকিৎসা সেৱা আগবঢ়ায়। উক্ত স্বাস্থ্য শিবিৰটো আনুষ্ঠানিক ভাৱে মুকলি কৰে ধৰ্মশালা খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ মহকুমা স্বাস্থ্য আৰু চিকিৎসা বিষয়া ডা০ মুস্কুৰা আহমেদ আৰু বিদ্যালয়খনৰ অধ্যক্ষ ডি বি পাণ্ডেই। এই কাৰ্যসূচীত ৰাষ্ট্ৰীয় বাল স্বাস্থ্য কাৰ্যক্ৰমৰ ধুবুৰী জিলাৰ কেইবাগৰাকীও স্বাস্থ্য বিষয়াৰ লগতে স্বাস্থ্যকৰ্মী, আশাকৰ্মী, পৰামৰ্শদাতা, শিক্ষা বিভাগৰ বিষয়া-কৰ্মচাৰীও উপস্থিত থাকে। এই স্বাস্থ্য শিবিৰত চাৰি শতাধিক ছাত্ৰ-ছাত্ৰীৰ স্বাস্থ্য পৰীক্ষা কৰা হয়।

০০০০০০

তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয় হাস্পতালত আজি হৃদৰোগ আৰু ৰক্তজনিত জটিল ৰোগত আক্ৰান্ত শিশুৰ বাবে বিশেষ চিকিৎসা শিবিৰ অনুষ্ঠিত হ'ব। শ্ৰম মন্ত্ৰী সঞ্জয় কিষাণে চিকিৎসা শিবিৰ মুকলি কৰিব। তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ কৰ্তৃপক্ষই জনোৱা মতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত শিশুসকলক জটিল ৰোগসমূহৰ পৰা আৰোগ্য কৰিবৰ বাবে উপযুক্ত চিকিৎসা ব্যৱস্থাপনাৰ উদ্দেশ্যেৰে এই শিবিৰৰ

আয়োজন কৰা হৈছে। লিউকেমিয়া, থেলাচেমিয়াকে ধৰি জটিল ৰক্তজনিত ৰোগত আক্ৰান্ত হৈ অস্থি মজ্জা সংৰোপণৰ প্ৰয়োজন হোৱা জন্মৰ পৰা ১৪ বছৰ বয়সলৈকে শিশুৰ স্বাস্থ্য সেৱা বিনামূলীয়াকৈ সম্পন্ন হ’ব বুলিও কৰ্তৃপক্ষই জানিবলৈ দিছে। প্ৰয়োজন অনুসৰি এনে ৰোগত আক্ৰান্ত শিশুসকলক সম্পূৰ্ণ বিনামূলীয়াকৈ উন্নত চিকিৎসাৰ বাবে বহিঃৰাজ্যলৈ প্ৰেৰণৰ ব্যৱস্থা আছে।

০০০০০০

বিধায়ক ৰূপেশ গোৱালাই তিনিচুকীয়া জিলাৰ ডুমডুমা বিধানসভা সমষ্টিত ৬২ লাখ ৬৩ হাজাৰ টকা ব্যয়ৰে নিৰ্মাণ কৰিবলগীয়া ৮টা বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। আধাৰশিলা স্থাপন অনুষ্ঠানত পৌৰসভাৰ পৌৰপতি কান্তা ভট্টাচাৰ্যী, পৌৰসভাৰ কাৰ্যবাহী বিষয়া বিদ্যুৎ বিকাশ চাংমা, উপ-পৌৰপতি মনি দত্তৰ লগতে আন কেইবাগৰাকীও সমাজকৰ্মী উপস্থিত থাকে।

০০০০০০

প্ৰতিশ্ৰুতি কেন্সাৰ আৰু পলিয়েটিভ ট্ৰাষ্টৰ উদ্যোগত আৰু অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ সহযোগত আজি ডিব্ৰুগড়ত বিশেষ কৰ্মশালাৰ আয়োজন কৰা হৈছে। মানুহে মানুহৰ বাবে প্ৰকল্পৰ অধীনত এই কৰ্মশালাৰ আয়োজন কৰা হৈছে। কৰ্মশালাত প্ৰশিক্ষাৰ্থীসকলৰ লগতে বহুকেইগৰাকী সমল ব্যক্তিয়ে অংশগ্ৰহণ কৰিব।

০০০০০০

সীমা শুল্ক বিভাগে কালি কামৰূপ জিলাৰ এটা বাসগৃহত অভিযান চলাই বৃহৎ পৰিমাণৰ ভাং জব্দ কৰে। বিশেষ সূত্ৰৰ পম খেদি চলোৱা এই অভিযানত বিভাগে ৪১ টা মোনাভৰ্তি ভাং জব্দ কৰিবলৈ সমৰ্থ হয়। জব্দ কৰা ভাংখিনিৰ ওজন ৫১১ কিলোগ্ৰামৰো অধিক আৰু ইয়াৰ বজাৰ মূল্য কমেও ডেৰ কোটি টকা হ’ব বুলি জানিব পৰা গৈছে। ঘটনা সন্দৰ্ভত বিভাগে এজন লোকক আটক কৰি সোধা-পোছা অব্যাহত ৰাখিছে।

০০০০০০

প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় বাল পুৰস্কাৰ, ২০২৫ৰ বাবে ১৫ ছেপ্তেম্বৰ মনোনয়ন দাখিলৰ অন্তিম দিন ধাৰ্য কৰা হৈছে। মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ে প্ৰতি বছৰে জানুৱাৰীত এই বঁটাসমূহ প্ৰদান কৰে। এই বছৰৰ বঁটা প্ৰাপকসকলৰ নাম ২৬ ডিচেম্বৰত বীৰ বাল দিৱসৰ দিনা ঘোষণা কৰা হ’ব। শিশুসকলৰ সামৰ্থ, দৃঢ়তা, উৎসাহ-উদ্দীপনাৰ উদযাপন কল্পে এই বঁটা প্ৰদান কৰা হয়। ৰাষ্ট্ৰীয় পুৰস্কাৰৰ আনুষ্ঠানিক ৱেবছাইটৰ জৰিয়তে এই বঁটাৰ বাবে ৫ বছৰৰ উৰ্ধৰ আৰু ১৮ বছৰৰ তলৰ শিশুৰ নাম মনোনীত কৰিব পৰা যায়।

০০০০০০

**নৱম সংখ্যক মাজুলী জিলা দিৱস উপলক্ষে আজি পুৱাৰ ভাগতে কমলাবাৰীত ঘড়ী টাৱাৰৰ আধাৰশিলা স্থাপনৰ পাছত সমূহিয়া ছাফাই অভিযান কাৰ্যসূচী ৰূপায়ন কৰা হয়। ইয়াৰ পাছতে গড়মূৰ জিলা কাৰাগাৰত যোগাসনৰ এক কাৰ্যসূচী ৰূপায়ন কৰা হয়।**

**দুপৰীয়াৰ ভাগত গড়মূৰৰ বংশীগোপাল নাট্য মন্দিৰত কলা প্ৰতিযোগিতা আৰু জনসভা অনুষ্ঠিত হ'ব। ঠিক একে সময়তে গড়মূৰ পীতাম্বৰ দেৱ গোস্বামী জিলা চিকিৎসালয়ত ৰক্তদান শিবিৰৰো আয়োজন কৰা হৈছে। সন্ধিয়া ঘৰে ঘৰে বন্তি প্ৰজ্বলন কৰিব ।**

সন্দিয়া গড়মূৰৰ বংশীগোপাল নাট্য মন্দিৰত এখন তথ্যচিত্ৰ প্ৰদৰ্শন কৰা হ'ব আৰু নিশালৈ জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ কৰ্মচাৰী সকলৰ দ্বাৰা এখনি ভাওনা প্ৰদৰ্শনেৰে জিলা দিৱসৰ দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰ পৰিসমাপ্তি ঘটিব।

০০০০০০

গুৱাহাটীৰ ৰাধা গোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ কনকলতা ইন্দোৰ ষ্টেডিয়ামত য়'নেক্স-ছানৰাইজ উত্তৰ-পূৱ মণ্ডল আন্তঃৰাজ্যিক বেডমিণ্টন প্ৰতিযোগিতা চলি আছে। বেডমিণ্টন এছ'চিয়েচন অব ইণ্ডিয়াৰ সহযোগিতাত অসম বেডমিণ্টন সন্থাই আয়োজন কৰা ৰাষ্ট্ৰীয় প্ৰতিযোগিতাখনৰ দলীয় শাখাৰ ছেমিফাইনেলত অসমৰ পুৰুষ আৰু মহিলা তথা জুনিয়ৰ ল'ৰা আৰু ছোৱালীৰ দলে প্ৰৱেশ কৰিছে।

পুৰুষ আৰু মহিলাৰ কোৱাৰ্টাৰ ফাইনেলত অসমৰ উভয় দলে ৩-০ ৰ ব্যৱধানত মেঘালয়ক পৰাস্ত কৰে। জুনিয়ৰ ল'ৰাৰ কোৱাৰ্টাৰ ফাইনেলত অসমে ২-০ৰ ব্যৱধানত নাগালেণ্ডক পৰাস্ত কৰাৰ বিপৰীতে ছোৱালী দলে একে ব্যৱধানত মেঘালয়ক পৰাস্ত কৰে।

প্ৰতিযোগিতাৰ ছোৱালী শাখাৰ কোৱাৰ্টাৰ ফাইনেলত অৰুণাচলে ছিকিমক, মিজোৰামে ত্ৰিপুৰাক আৰু মণিপুৰে নাগালেণ্ডক পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিছে। ল'ৰাৰ কোৱাৰ্টাৰ ফাইনেলত মণিপুৰে ত্ৰিপুৰাক, মিজোৰামে মেঘালয়ক আৰু অৰুণাচলে ছিকিমক পৰাস্ত কৰে।

ইফালে পুৰুষ শাখাৰ কোৱাৰ্টাৰ ফাইনেলত মণিপুৰে ছিকিমক, মিজোৰামে নাগালেণ্ডক আৰু অৰুণাচলে ত্ৰিপুৰাক পৰাস্ত কৰাৰ বিপৰীতে মহিলাৰ খেলত মণিপুৰে মিজোৰামক, নাগালেণ্ডে ছিকিমক আৰু অৰুণাচলে ত্ৰিপুৰাক পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০

গুৱাহাটীৰ পৰা আজি প্ৰকাশিত প্ৰায় আটাইকেইখন বাতৰি কাকতে অনলাইন ট্ৰেডিং প্ৰবঞ্চক চুমি বৰাৰ পলায়ন আৰু অনলাইন ট্ৰেডিং সন্দৰ্ভত আৰক্ষী অভিযানৰ বাতৰি ভিন ভিন শিৰোণামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দৈনিক অসম কাকতে খাদ্য সুৰক্ষাৰ ক্ষেত্ৰত চৰকাৰে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ নকৰা বুলি উল্লেখ কৰি খাদ্য সুৰক্ষাত আপোচ চৰাকাৰৰ শিৰোণামেৰে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। অসমীয়া প্ৰতিদিন কাকতে ১ অক্টোবৰৰ পৰা ৰাজ্যত আধাৰ কাৰ্ড প্ৰদানৰ প্ৰক্ৰিয়া কঠিন হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কৰা মন্তব্যক প্ৰথম পৃষ্ঠাত স্থান দিছে। একেটা বাতৰিকে অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাবে প্ৰকাশ কৰিছে। আমাৰ অসম কাকতে অসম চুক্তি ৰূপায়ণ সম্পৰ্কীয় বিপ্লৱ শৰ্মাৰ ৬৭ টা প্ৰস্তাৱৰ ভিতৰত ৫২ টা প্ৰস্তাৱ বিহুৰ পূৰ্বেই কাৰ্যকৰী হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কৰা ঘোষণাক গুৰুত্বসহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিক দৈনিক অসম,নিয়মীয়া বাৰ্তা,দ্যা ছেণ্টিনেল,দি আসাম ট্ৰিবিউন, আদি কাকতে ভিন ভিন শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

নিয়মীয়া বাৰ্তা মণিপুৰত পুনৰ গোষ্ঠী সংঘৰ্ষৰ ফলত সৃষ্টি হোৱা অশান্ত পৰিস্থিতি সম্পৰ্কীয় এটা বাতৰিক ফটোসহ প্ৰথম পৃষ্ঠাত স্থান দিছে। একেটা বাতৰি দৈনিক অগ্ৰদূত কাকতেও প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। অসমীয়া খবৰ কাকতে মুখ্যমন্ত্ৰীয়ে দক্ষ আৰক্ষী হোৱাৰ বাবে ব্যৱহাৰ বেয়া কৰাৰ কোনো প্ৰয়োজন নাই বুলি কৰা মন্তব্যক

প্ৰথম পৃষ্ঠাত স্থান দিছে। দৈনিক অগ্ৰদূত কাকতে বিত্তীয়  প্ৰৱঞ্চনাৰ অপৰাধত চিআইডিৰ কনিষ্টবল সৰোজ ডেকাক বৰ্খাস্ত কৰাৰ বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। দৈনি জনমভূমি কাকতে ইউনিয়ন কো-অপাৰেটিভ বেংকৰ বিত্তীয় অনিয়ম সন্দৰ্ভত প্ৰস্তুত কৰা এটা বাতৰি ইউনিয়ন কো-অপাৰেটিভ বেংকে ঘূৰাই দিয়া নাই গ্ৰাহকৰ জমা ধন  শিৰোণামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দি আছাম ট্ৰিবিউন কাকতে ট্ৰেডিং কেলেংকাৰীৰ সংক্ৰান্তত আৰক্ষীয়ে ২২ জন অভিযুক্তক বিচাৰি জাননী জাৰি কৰাৰ  বাতৰিক প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। দ্য ছেণ্টিনেল কাকতে সেনা বাহিনীৰ লেফটেনেন্ট জনেৰেল নতুন প্ৰত্যাহ্বানৰ বাবে সদায় সাজু বুলি এন এচ ৰাজাই কৰা মন্তব্যক প্ৰথম পৃষ্ঠাত বক্স বাতৰি হিচাবে  প্ৰকাশ কৰিছে। আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰা অন্যান্য বাতৰিসমূহৰ ভিতৰত আছে জেৰাত চুমিৰ বিষয়ে একো নকলে-মুখত মিচিকিয়া হাঁহি বিশালৰ, চিকিৎসকৰ চহী জালিয়াতি গোচৰত গ্ৰেপ্তাৰ ডাঃ মৃদুপৱন নাথ, হাইলাকান্দতি দুখন গাড়ীৰ সংঘৰ্ষত মহিলাসহ নিহত ৪ ইত্যাদি। এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

oooooo

সমাপ্ত